খেতিয়ক পিতৃক সকাহ দিবলৈয়ে স্কুল বন্ধ হ'লে বা ছুটীৰ পাচত গৰু চৰোৱাটো গ্ৰাম্য জীৱনৰ নিত্য-নৈমিত্তিক কৰ্তব্য। সকলোৰে ঘৰত গৰু থাকেই। গৰুক চৰণীয়া পথাৰত এৰি গছত উঠি বাঁহী বাই গান গাই সময় অতিবাহিত কৰে গৰু ৰখীয়াহঁতে। আমাৰ ঘৰৰ কাষত থকা নামদাং সংৰক্ষিত বনাঞ্চলৰ আশে-পাশে কাষৰীয়া গাঁওবোৰৰ গৰুবোৰ চৰাবলৈ লৈ আহে।





# সোণোৱাল সমাজত গৰখীয়া সবাহ

**অৱলোকন**

**গীতাঞ্জলি সোণোৱাল**

**বেলি** ডুবু ডুবু পৰত এজাক গৰখীয়াই ধূলিয়ৰি গো-বাট গচকি গৰু খেদি খেদি ঘৰমুৱা হোৱা দৃশ্য সঁচাকৈ মনোমোহা। তাতোকৈ স্বাচ্ছন্দ্য গ্ৰাম্য জীৱনৰ জীৱনগাথা। গৰু চৰাবলৈ গৈ গৰখীয়াই শিকে পেঁপা-বাঁহীৰ সুৰৰ মূৰ্ছনা আৰু কত যে কি...। বাঁহীৰ সুৰত এতিয়াও সাৰ পাই উঠে ল'ৰালি কালৰ সেই গৰখীয়াজাকৰ গানবোৰ। এনে গৰখীয়াসকলক লৈ বহু গানো ৰচিত হৈছে— গৰখীয়া হেৰ গৰখীয়া/কি সুৰ বজালি দুপৰীয়া।

খেতিয়ক পিতৃক সকাহ দিবলৈয়ে স্কুল বন্ধ হ'লে বা ছুটীৰ পাচত গৰু চৰোৱাটো গ্ৰাম্য জীৱনৰ নিত্য-নৈমিত্তিক কৰ্তব্য। সকলোৰে ঘৰত গৰু থাকেই। গৰুক চৰণীয়া পথাৰত এৰি গছত উঠি বাঁহী বাই গান গাই সময় অতিবাহিত কৰে গৰু ৰখীয়াহঁতে। আমাৰ ঘৰৰ কাষত থকা নামদাং সংৰক্ষিত বনাঞ্চলৰ আশে-পাশে কাষৰীয়া গাঁওবোৰৰ গৰুবোৰ চৰাবলৈ লৈ আহে। বনাঞ্চলখনত প্ৰায়ে বাঘে গোঁজৰ মাৰে। গৰুবোৰেও জানে— বাঘৰ গোন্ধ পালে হাবিত নোসোমায়, দৌৰি পলায়। তেতিয়া মটক পথাৰ, কলৌলোৱা পথাৰত গৰুবোৰ থাকেগৈ।

এই গৰু আৰু গৰখীয়াসকলৰ মংগলৰ বাবেই সোণোৱাল সমাজত গৰখীয়া সবাহ পাতে। গাঁৱৰ গৰখীয়া ল'ৰাবোৰক (১৫ বছৰৰ অনূৰ্ধ্ব ল'ৰা) লৈ সন্ধিয়া গোহালিত গৰু বান্ধি শেষ হোৱাৰ পাচত সাধাৰণতে এই সবাহ বা সকাম পতা হয়। ঘৰৰ চোতালত মচি ঠাইটুকুৰা পবিত্ৰ কৰি লোৱা হয়। ইয়াত কলপাত, চাকি-ধূপ, তামোল-পাণ, ফল-মূল, কেঁচা পিঠা, দৈ বা গাখীৰ আৰু চেনি বা গুড় দিয়া হয়। গৰখীয়াবোৰে পূবলৈ মুখ কৰি ঘূৰণীয়াকৈ বহে। গৃহস্থই তেওঁলোকক ভৰি ধুৱাই ভকতৰ দৰে আসন গ্ৰহণ কৰিবলৈ দিয়ে। তাৰ পাচত গৃহস্থই তেওঁলোকৰ ওচৰত মূৰ দোঁৱাই আশীৰ্বাদ গ্ৰহণ কৰে। সৰু সময়ছোৱাতে ল'ৰাবোৰে আশীৰ্বাদ দিয়াত পাকৈত হয়। ছোৱালীবোৰে পিৰালিৰ পৰা চাই থাকে, কাৰণ পকা কল আৰু কেঁচা পিঠাৰ সোৱাদ সিহঁতকো লাগে। পোহনীয়া জীৱ-জন্তুৰ বংশবৃদ্ধি বিচাৰি গৰখীয়াসকলক কৰা সন্তুষ্টিৰ প্ৰক্ৰিয়াৰে সবাহ সমাপ্ত কৰা হয়। নৈবেদ্য গ্ৰহণ কৰি ল'ৰাহঁত ঘৰাঘৰি হয়। এয়াই গৰখীয়া সবাহ বা সকাম। ব'হাগ মাহৰ বিহু সামৰণি মৰাৰ পাচত জেঠ-আহাৰ মাহত সাধাৰণতে এই সবাহ পতা হয়। অসমৰ ঠাইভেদে এই সবাহৰ নিয়ম হয়তো পৃথক পৃথক হ'ব পাৰে। সকলোৱে গৰখীয়াসকলক মান্যতা প্ৰদান কৰি পুৰণি দিনৰ পৰাই এই সবাহ কৰা দেখা যায়। অসমৰ গৰখীয়া থান বা মন্দিৰসমূহ ইয়াৰ উৎকৃষ্ট নিদৰ্শন। অসমৰ বিভিন্ন প্ৰান্তত বিশ্বাসত গঢ়ি উঠা পুৰণি গৰখীয়া মন্দিৰসমূহত আজিও মানুহৰ ভিৰ একাধাৰে বৃদ্ধি পাই আহিছে। গৰখীয়াসকলক সন্তুষ্ট কৰিব পাৰিলে মনৰ ইচ্ছা পূৰণ হয় বুলি বহুতে বিশ্বাস কৰে। একোটা বিশ্বাসেই এখন সমাজলৈ শৃংখলাবদ্ধতা আৰু সুস্থ বাতাবৰণ কঢ়িয়াই অনাত সহায় কৰে। সেয়ে আজিৰ যুগতো আমি আশা কৰিম উগ্ৰবাদ নহয়, সুস্থ-সবল সমাজ প্ৰতিষ্ঠাত গৰখীয়া সবাহ শান্তিৰ বাৰ্তাবাহক হওক।



# ডেকা হৈ থকাৰ হাবিয়াহ



**ৰং-বিৰং**

**ডাঃ দীপক কুমাৰ শৰ্মা**

**মহাভাৰত,** হৰিবংশ পুৰাণ, বায়ু পুৰাণ, ব্ৰহ্মাণ্ড পুৰাণ আৰু শিৱ পুৰাণত বৰ্ণিত ৰজা যযাতিৰ কাহিনীয়ে মানুহৰ যৌৱনক ধৰি ৰাখিব খোজা এক অকুণ্ঠ হাবিয়াহৰ কথা আজিও সোঁৱৰাই থাকে। ডেকা হৈ থকাৰ হাবিয়াহ কাৰ নাই? আজিৰ জগতত বহু মানুহে এতিয়াও কিদৰে শৰীৰটোত বয়সৰ প্ৰভাৱ পেলাব নিদিয়াকৈ ৰাখিব পাৰি, তাৰ অহৰহ চেষ্টাত ব্ৰতী হৈ থাকে। স্বাস্থ্যৰ দিশৰ পৰা ই একো অনুচিত কথা নহয়।

সাধাৰণতে মানুহৰ বয়স তেওঁৰ পাৰ হৈ অহা সময়ৰ জোখেৰে কৰা হয়। ইয়াক কালানুক্ৰমিক বা সময়ানুক্ৰমিক বয়স বুলি কোৱা হয়। কিন্তু বয়সৰ ক্ষেত্ৰত কেৱল



সময়ৰ হিচাপেই যথেষ্ট নহয়। কেতিয়াবা কেতিয়াবা একে বয়সৰ দুজন মানুহক দেখিলে বয়সৰ তফাৎ থকা যেন লাগে। কোনো কোনো লোকক তেওঁৰ নিজৰ বয়সতকৈ অধিক বয়সস্থ যেন লাগে। আনহাতে কোনো কোনো লোকক তেওঁৰ নিজৰ বয়সৰ তুলনাত কম বয়সৰ যেন লাগে। সেই কাৰণেই এজন লোকৰ কালানুক্ৰমিক বয়সেৰে সকলো সময়ত তেওঁৰ বয়স বিচাৰ কৰা নহয়।

চলিত বছৰৰ জানুৱাৰী মাহত ফ্ৰান্সৰ ৰবাৰ্ট মাৰ্চেণ্ড নামৰ এজন এশ পাঁচ বছৰীয়া লোকে ঘণ্টাত ১৪ মাইলতকৈ অধিক বেগত চাইকেল চলাই বিশ্ব ৰেকৰ্ড স্থাপন কৰিছে। তেওঁ 'ভেলোড্ৰোম নেচনেল' নামৰ ষ্টেডিয়ামখনৰ ভিতৰত থকা বিৱানব্বৈটা পাক ষাঠি মিনিটত সম্পূৰ্ণ কৰিছে।

এটা পৰীক্ষাত দেখা গৈছে যে ৰবাৰ্ট মাৰ্চেণ্ডৰ হৃৎপিণ্ড আৰু হাওঁফাওঁৰ কৰ্মক্ষমতা এজন পঞ্চাশ বছৰীয়া লোকৰ ক্ষমতাতকৈ অধিক। সেয়েহে এনেধৰণৰ খেলা-ধূলা তেওঁ অনায়াসে কৰিব পাৰে। প্ৰশ্ন হয় এনে লোকৰ বয়স বাৰু কিদৰে নিৰ্ধাৰণ কৰা যাব পাৰে?

সাধাৰণতে বয়স বাঢ়ি যোৱাৰ লগে লগে মানুহৰ শাৰীৰিক কৰ্মক্ষমতা কমি আহে। কিন্তু দেখা যায় যে এইক্ষেত্ৰতো মানুহ লৈ লৈ এনে কৰ্মক্ষমতাৰ পাৰ্থক্য আছে। কোনো এক বয়সত এজন লোকৰ শৰীৰৰ বিভিন্ন অংগ-প্ৰত্যংগই কিদৰে কাম কৰি আছে, তাৰ ওপৰত নিৰ্ভৰ কৰি তেওঁৰ চাল-চলন, চিন্তাধাৰা, উৎফুল্লতা আদি গঢ় লৈ উঠে। অন্য অৰ্থত তেওঁৰ শাৰীৰিক অৱস্থাই তেওঁৰ একধৰণৰ বয়স নিৰ্ধাৰণ কৰে। এজন ষাঠি বছৰীয়া লোকেও এজন দুৰন্ত তৰুণৰ দৰে দৌৰাদৌৰি কৰিব পাৰে, খেলা-ধূলা কৰিব পাৰে। এনে বয়সক শাৰীৰ বৃত্তীয় (Physiological) বয়স বুলি ক'ব পৰা যায়।

ইয়াৰ বাদেও মানুহ এজনৰ মানসিক চিন্তাধাৰায়ো তেওঁৰ বয়স নিৰ্ধাৰণ কৰে। দেখা যায় যে বয়স বাঢ়ি গ'লেও কিছুমান মানুহৰ চিন্তাধাৰা তৰুণ এজনৰ দৰেই তজবজীয়া হৈ থাকে। এওঁলোক সদায় কৰ্মোদ্যমী হৈ থাকে। ইয়ে তেওঁলোকক একে বয়সৰ আন আন লোকতকৈ কম বয়সীয়াৰ নিচিনা কৰি তোলে। জাৰ্নেল অব্ জেৰণ্টল'জি ছ'চিয়েল ছায়েন্সৰ চলিত বছৰৰ জানুৱাৰী মাহত প্ৰকাশিত এখন গৱেষণাপত্ৰত কোৱা হৈছে যে মানুহ এজনৰ বাবে কালানুক্ৰমিক বয়স প্ৰয়োজনীয় কথা। কিন্তু তেওঁৰ জীৱনত মানসিক বয়সৰ প্ৰভাৱ বেছি তীব্ৰ। মাৰ্কাছ এইচ স্কেফাৰ আৰু তেওঁৰ সহযোগী গৱেষক টেটিয়ানা পি শ্বিপ্পীয়ে ১৯৯৫ চনৰ পৰা ২০০৫ চনলৈ ৫৫ বছৰ বয়সৰ পৰা ৭৪ বছৰ বয়সৰ ভিতৰৰ পাঁচশজন মানুহৰ মাজত এই সমীক্ষা চলাইছিল। তেওঁলোকে লক্ষ্য কৰিছিল যে ১৯৯৫ চনত





যিসকল লোকে নিজকে নিজৰ প্ৰকৃত বয়সৰ পৰা বাৰ বছৰ যেন সৰু অনুভৱ কৰিছিল, তেওঁলোকে এটা দশকৰ পিচত তেওঁলোকৰ সমবয়সৰ লোকৰ তুলনাত নিজকে ডেকা যেন অনুভৱ কৰিছিল। তেওঁলোকে কৰিবলগীয়া বৌদ্ধিক জ্ঞানচৰ্চাৰ কাম-কাজবোৰৰ ওপৰতো তেওঁলোকৰ আত্মবিশ্বাস বেছি আছিল। অৱশ্যে শৰীৰ ভালে থকা কাৰণে আৰু মনৰ সুখী ভাবে তেওঁলোকক বৌদ্ধিক জ্ঞানচৰ্চাৰ দৰে কাম-কাজ কৰিবলৈ সমৰ্থৱান কৰি তুলিছিল নে বৌদ্ধিক জ্ঞানচৰ্চাৰ দৰে কাম-কাজবোৰ কৰি থাকিব পৰাৰ কাৰণে তেওঁলোকৰ মনলৈ সুখী ভাব আৰু শৰীৰ ভালে থকাৰ ধাৰণা আহিছিল, সেয়া কোৱা টান বুলি গৱেষণাপত্ৰত মন্তব্য কৰা হৈছে।

পুৰাণৰ কাহিনীত কোৱা হৈছে যে ৰজা যযাতিয়ে এহেজাৰ বছৰ ধৰি তেওঁৰ যৌৱন উপভোগ কৰিছিল। কিন্তু জাগতিক বিষয়, বাসনা যে নিৰৰ্থক, পিচলৈ তেওঁ সেয়া বুজি পাইছিল আৰু পুত্ৰ পুৰুৱে দিয়া যৌৱন পুনৰ পুত্ৰক ঘূৰাই দিছিল।

গতিকে দেখা যায় জ্ঞানচৰ্চাৰ দৰে কাৰ্যই যে আমি মানসিকভাৱে যৌৱনদীপ্ত হৈ থকাৰ মূল, সেয়া পৌৰাণিক যুগৰ পৰা আজিলৈকে সত্য বুলি বিবেচিত হৈ আহিছে।

**ব্যতিক্ৰম**




# বাঁহৰ গ্ৰন্থ

**মোহন শইকীয়াৰ অভিনৱ সৃষ্টি**

**দিলীপ হাজৰিকা**



**বাৰীৰ** বাঁহজোপাৰ পৰা বহু মূল্যৱান সামগ্ৰী প্ৰস্তুত কৰি ইতিমধ্যে শিৱসাগৰ জিলাৰ বকতাৰ এজন বাঁহ-বেতৰ শিল্পীয়ে প্ৰমাণ কৰি দেখুৱাইছে যে বাৰীৰ বাঁহজোপাও হ'ব পাৰে অনবদ্য সৃষ্টিৰ উৎস। বকতা নেমুগুৰি ন-নাথ গাঁৱৰ এইজন বাঁহ-বেতৰ শিল্পী মোহন শইকীয়াই বাঁহ-বেতেৰে যিসমূহ সামগ্ৰী তৈয়াৰ কৰিছে সেয়া নিজ চকুৰে প্ৰত্যক্ষ নকৰিলে কল্পনাও কৰিব নোৱাৰি যে বাঁহৰ পৰাও এনে অপূৰ্ব সামগ্ৰী কাৰোবাৰ হাতৰ পৰশত প্ৰাণ পাই উঠিব পাৰে। নিজৰ ঘৰতে একমাত্ৰ বাঁহ আৰু বেতক সম্বল কৰি শিল্পী শইকীয়াই নিৰলস প্ৰচেষ্টাৰে তৈয়াৰ কৰিছে বাঁহ-বেতৰ কেতবোৰ আটকধুনীয়া সামগ্ৰী। বাঁহেৰে তেওঁ নিৰ্মাণ কৰিছে চোলা (ৱেষ্টকোট)। বাঁহৰ ফলিত লিখিছে ভূপেন হাজৰিকাৰ সংগীত, গুৰুজনাৰ অমৰ সৃষ্টি বৰগীত, ঘোষা আদি। তেওঁ বাঁহেৰে প্ৰস্তুত কৰিছে কেইবাখনো অসমীয়া আৰু ইংৰাজী গ্ৰন্থ। তদুপৰি ঘৰৰ ড্ৰয়িংৰুম সজোৱাৰ বাবে প্ৰস্তুত কৰা বিভিন্ন ধৰণৰ সামগ্ৰী, দা-কটাৰী আদিত বাঁহ শিল্পী শইকীয়াৰ হাতৰ পৰশে এক অনন্য ৰূপ বহন কৰিছে। উল্লেখযোগ্য যে বকতাৰ ন-নাথ গাঁৱৰ অধিকাংশ লোকেই বাঁহ-বেতৰ শিল্পৰ লগত জড়িত যদিও মোহন শইকীয়াৰ বাঁহ-বেতৰ শিল্প সম্পূৰ্ণ ব্যতিক্ৰম। ইতিমধ্যে ২০ বছৰৰো অধিক কাল বাঁহ-বেত শিল্পৰ লগত জড়িত শিল্পীজনে নিজৰ বাসগৃহটোকে বাঁহ-বেতৰ ক্ষুদ্ৰ উদ্যোগলৈ ৰূপান্তৰিত কৰি এই শিল্পক এক সুকীয়া মাত্ৰা প্ৰদান কৰিছে।



# এলাহাবাদ, ৰিক্সাৱালা ইত্যাদি...

**জীৱনৰ বাটত**

**মথুৰামোহন ডেকা**

**মাহৰ** শেষৰ ফালে পেন্সনৰ পইচাৰে চলিবলৈ টনাটনি হয়। বজাৰলৈ যাম বুলি ওলাইছো। শ্ৰীমতীয়ে বস্তুৰ লিষ্ট এখন দিলে। দীঘলীয়া। মোৰ চকু কপালত উঠিল। ইমানবোৰ বস্তু? মই তেওঁক ক'লো— হেৰা, পইচা নাই নহয়। অহা মাহত আনিম দিয়া। কি কৈছে আপুনি? ডেকা ল'ৰা-ছোৱালী দুটাই কি খাব?

তেওঁৰ টিঙিচকৈ খঙটো উঠি। পৰিয়াল পোহপাল দিব নোৱাৰেই যদি বিয়া কৰাইছিল কিয়? মই অৱশ্যে এনেকুৱা গালি-গালাজ খাই খাই অভ্যস্ত হৈ পৰিছো। বাহিৰলৈ ওলাই গৈ দেখিলো ৰাস্তাত মহৰুমে গাড়ীখনৰ কাষত থিয় হৈ আছে। মিউনিচিপালিটিৰ জাবৰ-জোঁথৰ নিয়ে মানুহৰ ঘৰৰ পৰা। সি সুধিলে— দাদা আছে নেকি জাবৰ? নাই যা আজি। মহৰুমৰ ঘৰ চেঁচামুখত। অসমীয়া মুছলমান। মহৰুমে তিনিচকীয়া জাবৰ নিয়া গাড়ীখনৰ ছিটত বহি পেডেল মাৰিলে। সি এটা ভাটিয়ালী গীত আৰম্ভ কৰিলে। পেডেল মাৰি গৈ থাকিল সি। মই ধাৰণা কৰিলো মহৰুমে এই কাম কৰি খুবেই সন্তুষ্ট।

বহুদিন আগতে এদিন মহৰুমক সুধিছিলো— মহৰুম, তোৰ ল'ৰা-ছোৱালীকেইজন অ'? অ' দাদা দুটা। ডাঙৰটো আপা। সৰুটো আপী।

কি কৰে সিহঁতে? অ' দাদা কিবাকৈ দুয়োকো মেট্ৰিক পাছ কৰাই ছিলো। আপাক পঢ়ুৱাবও খুজিছিলো। সি কি ক'লে জানে দাদা? এখন বি এ পাছ কৰা কাগজ লৈ খাৰ খাম নেকি? নপঢ়ো। চাওকচোন দাদা তাৰ কথা। খাৰ খাবলৈহে ল'ৰা-ছোৱালী পঢ়ে নেকি? এতিয়া সি শিঙিমাৰীৰ ফালে গৈ মাটি আধিয়াকৈ লৈ তাত আলু, বেঙেনা, মূলা, কবি, জলকীয়া আদিৰ খেতি কৰে। মোক অলপ পইচাৰে মাজে মাজে সহায়ো কৰে।

তোৰ তিৰীটো আছে নে নাই মহৰুম। 'আছে দাদা। তায়ো বেমাৰী হৈছে। ঠিকমতে খাবলৈ নাপায় নহয়।'

মহৰুমৰ কামৰ প্ৰতি সততা দেখি মই নিজকে সুধিলো— মই চাকৰি জীৱনত ইমান সৎ আছিলোনে?

১৯৬৭ চনত মই এলাহাবাদলৈ গৈছিলো। ৰে'লেৰে গৈ পুৰা এলাহাবাদ ষ্টেচনত নামিলো। প্ৰয়াগ হোটেললৈ যাম বুলি ভাবি ৰিক্সা এখন ল'লো। ৰিক্সা ভাড়া এটকা। আজিৰ এশ টকাতকৈ বেছি। ৰিক্সাৱালাজনে মোৰ বেডিংটো হোটেলৰ ওপৰলৈ লৈ গ'ল। ৰিক্সা ভাড়া দিম বুলি ভাবি পইচা উলিয়াওঁতে দেখিলো এটকীয়া, দুটকীয়া নাই। মোৰ হাতত আছে পাঁচটকীয়া আৰু দহটকীয়া। কি কৰো এতিয়া? ৰিক্সাৱালাজনৰ মুখখনলৈ চালো। বেছ শান্ত আৰু সৰল যেন লাগিল। তাক পাঁচটকীয়াখন দি ক'লো— বাকী চাৰি টকা মোক দি যাবি। সি সন্মতি জনাই তললৈ নামি গ'ল। মই তালৈ বহুত দেৰি বাট চালো নাই। বুজিলো সি পলাল।

বহু আগৰ এই কথাবোৰ ভাবি ভাবি গৈ থাকোতে চ'কটো পাই ৰিক্সাৱালা এজনক সুধিলো— যাবি বজাৰলৈ? তোৰ এশ টকাৰ ভঙনীয়া হ'বনে? ভাড়া কিমান লাগিব? সি ক'লে দহ টকা। কিন্তু ভঙনীয়া নাই মোৰ লগত। মই আন এজনৰ ওচৰলৈ গৈ সুধিলো— তোৰ এশ টকাৰ ভঙনীয়া হ'বনে? বজাৰলৈ যাম। নাই। আৰু দুজনমানক সুধিলো। নাই কাৰো ভঙনীয়া নাই। শেষত খোজকাঢ়ি যোৱাটোকে ঠিক কৰি যাব খোজোতে প্ৰথমজনে মাত লগালে— কাকু উঠক। বজাৰত ভঙাই দিব পাৰিম।



ৰিক্সাৰ পৰা নামি তাক এশটকীয়াখন দিলো। সি বজাৰলৈ গুচি গ'ল আৰু মোক কৈ গ'ল— কাকু, ৰিক্সাখনৰ ওচৰত থিয় হৈ থাকিব নহ'লে কোনোবা বদমাচে লৈ যাব পাৰে বা পুলিচে দিগদাৰ কৰিব পাৰে। তাৰ কথাৰ সৰলতাত মই থিয় হৈ থাকিলো। দহ মিনিটমান যোৱাৰ পিচত মই ইফালে-সিফালে চালো তাক দেখো নেকি? নাই। তাৰ কোনো উমঘামেই নাই। মই তাৰ চেহেৰাটো মনত পেলাবলৈ চেষ্টা কৰিলো। তাৰ ধূসৰ চেহেৰাটো মনলৈ আহিল। হ'লেও মোৰ চকুৰ আগেদি গুচি গ'লেও হয়তো ধৰিব নোৱাৰিম। আধা ঘণ্টামান ৰৈ থাকি মোৰ সন্দেহ হ'ল। সি মোৰ টকাশ লৈ পলাল। নহয়তো মই অতিষ্ঠ হৈ গুচি যোৱালৈ সি মনে মনে ক'ৰবাৰ পৰা চাই আছে। এলাহাবাদত ঠগ খোৱা ঘটনাটো মনত পৰিল। মানুহক দেখোন বিশ্বাস কৰাই টান হ'ল। জীৱনত কিমানবাৰ ঠগ খাইছো হিচাপ নাই। ইমান নিকৃষ্ট মনৰ মানুহো থাকিব পাৰেনে?

নব্বৈ টকাৰ আশা বাদ দি ঘৰলৈ উভতি যোৱাটোকে ঠিক কৰিলো।

কিছু দূৰ আহি এটা বাইলেনৰ মাজত দেখিলো মানুহৰ এটা ডাঙৰ জুম। মোৰ সমস্যাৰ কথা পাহৰি জুমটোৰ ওচৰলৈ গ'লো। দেখিলো এজন ডেকা বয়সৰ মানুহ পৰি আছে। মই এজনক সুধি গম পালো টেক্সি এখনে খুন্দিয়ালে। টেক্সিখন পলাল। বেয়াকৈ আঘাত পাই জখম হৈছে।

কেইজনমান ডেকা ল'ৰাই এখন অট' আনিবলৈ গ'ল। মই মানুহৰ ভিৰ ফালি ডেকাজনৰ ওচৰলৈ গৈ নাকত হাত দি চালো। উশাহ-নিশাহ আছে। খন্তেক পিচতে সি চকু মেলিলে। ভাবিলো চিকিৎসা কৰিলে বাচিব পাৰে। দেখিলো সি লাহে লাহে মুঠি মাৰি থকা সোঁহাতখন দাঙি আনি মোৰ সন্মুখলৈ আনিছে। কিবা ক'ব খুজিছে যদিও ক'ব পৰা নাই। মই তাৰ হাতখনত ধৰিলো। হয়তো সি তাক উঠাই দিব লাগে বুলি ক'ব খুজিছে। দেখিলো তাৰ মুঠিটো ঢিলা হৈছে আৰু মুঠিৰ পৰা কেইখনমান নোট মাটিত পৰিছে। তাৰমানে তাক আমি চিকিৎসা কৰিব লাগে!

তাৰ মনোবেদনা বুজি পোৱা যেন লগাত মোৰ চকুপানী নামি আহিল। জীয়াই থকাৰ কি যে অদম্য বাসনা। মই পইচাখিনি তুলি আনি হিচাপ কৰি চালো। নব্বৈ টকা। তৎক্ষণাৎ মোৰ গাটো জিকাৰ খাই উঠিল। এইটো দেখোন মোক লৈ অহা ৰিক্সাৱালাটো। মই তাক দাঙি তুলিবলৈ চেষ্টা কৰিলো। নোৱাৰিলো। আন কেইজনমানেও চেষ্টা কৰিলে। নোৱাৰিলে। বাৰে বাৰে ঢলি পৰে। অৱশেষত সি মোৰ ফালে চাই থাকিয়েই লাহে লাহে চকু দুটা মুদি দিলে। ঋণ মুক্ত হৈ সি গুচি গ'ল আৰু তাক নানান গালি-গালাজ পাৰি মই তাৰ ওচৰত ঋণী হৈ থাকিলো।





মহৰুমৰ কামৰ প্ৰতি সততা দেখি মই নিজকে সুধিলো— মই চাকৰি জীৱনত ইমান সৎ আছিলোনে?...

দহ মিনিটমান যোৱাৰ পিচত মই ইফালে-সিফালে চালো তাক দেখো নেকি? নাই। তাৰ কোনো উমঘামেই নাই।

